# যোহনে জগতৰ শেষ দেখা পাইছিল

## যীচুৱে তেওঁক বিশ্বাস কৰা যিকোনো সন্তানকে আদৰি লবলৈ থিয় হৈ আছে

**প্ৰাৰ্থনা ঃ** "মৰমিয়াল প্ৰভু তোমাৰ যি প্ৰতিজ্ঞা স্বৰ্গৰ বিষয়ে তাক মনত ৰাখিবলৈ ল'ৰা-ছোৱালীবিলাকক সহায় কৰা।"

এজন ডাঙৰ ল'ৰা বা শিক্ষকক প্ৰকাশিত বাক্য ২০ঃ১১ পদৰ পৰা ২১ঃ২২ পদতকৈ যোহনে স্বৰ্গৰ বিষয়ে দেখা দৰ্শনৰ কাহিনীটো মনৰ পৰা কবলৈ পঢ়ি দিবলৈ দিয়ক য'ত ঈশ্বৰে স্বৰ্গত আৰু পৃথিৱীত শেষ কালত কি ঘটিব সেই বিষয়ে প্ৰকাশ কৰিছে।



এইবোৰ প্ৰশ্নবিলাক সোধক *(প্ৰত্যেক প্ৰশ্নৰ পিচত উত্তৰবোৰ দিয়া হৈছে)*

- যিবিলাক মানুহ মৰিল তেওঁলোক আটাইৰে কি হ'ল? *(প্ৰকাশিত বাক্য ২০ঃ১২)*
- জীৱন পুস্তকত নাম নথকাবিলাকৰ কি হ'ল? *(২০ঃ১৫)*
- আমাৰ নতুন বাসস্থান, নতুন যিৰূচালেমখন দেখিবলৈ কেনেকুৱা? *(২১ঃ২)*
- কিবোৰ স্বৰ্গত কেতিয়াও নঘটিব? *(২১ঃ৪)*
- সেই ঠাইত কিয় মন্দিৰ, বেলি আৰু জোন নাছিল? *(২১ঃ২২-২৩)*
- নগৰখনৰ ডাঙৰ আলিবাটটোৰ মাজত কি দুটা বস্তু আছিল *(২২ঃ১-২)*

### পুনৰ্নিৰীক্ষণ

- স্বৰ্গত আমি কি দেখা পাম? *(ঈশ্বৰ, এখন বগা সিংহাসন, পুথিবোৰ, যীচু, পোহৰ, মৰা মানুহবোৰ, এখন সুন্দৰ নগৰ, এখন নদী, জীৱন বৃক্ষ্য)*
- স্বৰ্গত আমি কি দেখা নাপাম? *(মৃত্যু, নৰক, ক্ৰন্দন, ৰাতি, বেলি, জোন, পাপ, ৰোগ)*

**১। যোহনে স্বৰ্গৰ দৰ্শন পোৱাৰ কিছু অংশ নাটক কৰি দেখুৱাওক।**

- উপাসনা চলাওঁতাজনৰ লগত ল'ৰা-ছোৱালীবিলাকে নাটকখন দেখুওৱাৰ বিষয়ে বন্দবস্ত কৰি লওঁক।
- ল'ৰা-ছোৱালীক শিকোৱাৰ সময়খিনি ল'ৰা-ছোৱালীয়ে নাটকখন প্ৰস্তুত কৰাত ব্যৱহাৰ কৰক।
- গোটেই ভাগখিনি ব্যৱহাৰ কৰিবৰ প্ৰয়োজন নাই।
- ডাঙৰবিলাকক সৰু ল'ৰা-ছোৱালীবিলাকক সহায় কৰিবলৈ দিয়ক।
- ডাঙৰ ল'ৰা বা জ্যেষ্ঠ এজনক প্ৰচাৰক আৰু বৰ্ণনাকাৰীৰ ভাওঁ লবলৈ দিয়ক।
- সৰু ল'ৰা-ছোৱালীবিলাকক বন্ধুৰ ভাওবোৰ কৰিব দিয়ক।

**বৰ্ণনাকাৰী ঃ** প্ৰকাশিত বাক্য ২০ঃ১১-১৫ ৰ পৰা দৰ্শনৰ প্ৰথম ভাগটো কয়। তাৰ পিচত কয়, "এজন প্ৰচাৰকে তেওঁৰ বন্ধুক কি কৈছে শুনা।"

**প্ৰচাৰক ঃ** "মই প্ৰকাশিত বাক্য পুস্তকখন পঢ়ি  আছো। ভৱিষ্যতে আমি ঈশ্বৰক তেওঁৰ মহান বগা সিংহাসনত বহি থকা দেখিবলৈ পাম।"

**প্ৰথম বন্ধু ঃ** "ঈশ্বৰে সকলোকে প্ৰেম কৰে। তেওঁ সকলোকে স্বৰ্গলৈ যাবলৈ দিবনে?

**প্ৰচাৰক ঃ** "যিসকল বিশ্বাসীৰ নাম জীৱন পুস্তকত লিখা আছে কেৱল তেওঁলোকেহে সোমাব।"

**দ্বিতীয় বন্ধু ঃ** "মই যীচুক ভাল পাওঁ, কিন্তু কেতিয়াবা মই বেয়া কাম কৰোঁ। মই স্বৰ্গতো পাপ কৰিম নে?"

**প্ৰচাৰক ঃ** নাই, ঈশ্বৰে তোমাক সলনি কৰিব, আমি যি কৰোঁ সেই আটাইবোৰ তেওঁৰ বহীত লিখি ৰাখে। আমাৰ বেয়া কাৰ্য্যবোৰৰ বিচাৰ হ'ব আৰু পাচত এৰি থৈ যাব। আমি কৰা ভাল কামবোৰৰ বাবে ঈশ্বৰে আমাক পুৰস্কৃত কৰিব।

**তৃতীয় বন্ধু ঃ** যিবিলাকে যীচুক অস্বীকাৰ কৰিব তেওঁলোকৰ কি হ'ব?

**প্ৰচাৰক ঃ** "যিসকলৰ নাম জীৱন পুস্তকত লিখা হোৱা নাই, তেওঁলোকে অগ্নি সৰোবৰত সোমাব।"

**তৃতীয় বন্ধু ঃ** "মোৰ নাম যীচুৱে তেওঁৰ জীৱন পুস্তকখনত লিখি ৰখাতো মই বিচাৰোঁ।

**বৰ্ণনাকাৰী ঃ** প্ৰকাশিত বাক্য ২১ঃ১-৪ পদৰ পৰা দৰ্শনৰ দ্বিতীয় ভাগখিনি কয়, তাৰ পিচত কয়, "প্ৰচাৰকজনে তেওঁৰ বন্ধুক কি কৈছে শুনা।"

**প্ৰচাৰক ঃ** স্বৰ্গখন এগৰাকী-ধুনীয়া সুখী কন্যাৰ দৰে সুন্দৰ হ'ব।

**চতুৰ্থ বন্ধু ঃ** "ঈশ্বৰে হয়তো মোক সোমাব নিদিবও পাৰে। মোৰ জীৱনত অনেক জঞ্জাল আৰু বেদনাবোৰ আছে।"

**প্ৰচাৰক ঃ** "ঈশ্বৰে তোমাৰ সকলো দুখ আৰু বেদনাবোৰ লৈ যাব। এই জীৱনৰ সকলো বেয়া বস্তুবোৰ থাকি যাব।"

**চতুৰ্থ বন্ধু ঃ** য'ত কোনো বেদনা নাই তেনে ঠাইলৈ মই যাব বিচাঁৰো।

**বৰ্ণনাকাৰী ঃ** প্ৰকাশিত বস্তু ২১ঃ২২ ৰ পৰা ২২ঃ৬ কাহিনীটোৰ তৃতীয় ভাগ কয়। তাৰ পিচত কয়, "বন্ধৰে কি কৈছে শুনা।"

**পঞ্চম বন্ধু ঃ** স্বৰ্গত ঈশ্বৰৰ উপাসনা কৰাৰ মন্দিৰ খুব ডাঙৰ হব নেকি  ?

**প্ৰচাৰক ঃ** নাই, তাত মন্দিৰ নাথাকিব। ঈশ্বৰে আমাৰ লগত বাস কৰিব আৰু আমাৰ মন্দিৰ হ'ব। তেওঁৰ পোহৰ ইমান উজ্জ্বল হ'ব যে বেলি বা জোনৰ তাত কোনো প্ৰয়োজন নাথাকিব।

**পঞ্চম বন্ধু ঃ** মই ভাবো তাত কোনো নদী বা গছবোৰ নাথাকিব।

**প্ৰচাৰক ঃ** হয় ! স্বৰ্গৰ ঠিক সোঁমাজতে জীৱন জলৰ এখন সুন্দৰ নদী আৰু এটি জীৱন বৃক্ষ্য আছে।

**আটাইবিলাক বন্ধু ঃ** আমি তালৈ গৈ যীচুৰ লগত থাকিব বিচাৰো ! যীচুৰ নামৰ  গৌৰৱ সদাকাললৈকে হওঁক।

**বৰ্ণনাকাৰী ঃ** নাটকখন কৰি দেখুওৱাত সহায় কৰা সকলোকে ধন্যবাদ দিয়ে।

**প্ৰশ্নবোৰ ঃ** নাটকখন যদি তেওঁলোকে ডাঙৰৰ কাৰণে কৰিছে, তেনেহলে ল'ৰা-ছোৱালীবিলাকক দিয়া তালিকাখনৰ পৰা প্ৰশ্ন কৰিবলৈ দিয়ক। এইটোও সোধক যে তেওঁলোকে স্বৰ্গত আন আৰু কি বস্তু আশা কৰে?

**কবিতা ঃ** তিনিগৰাকী ল'ৰা-ছোৱালীৰ প্ৰত্যেককে প্ৰকাশিত বাক্য, ১৯ঃ৬,৭ আৰু ৮ পদৰ পৰা এটাকৈ পদ আওঁৰাবলৈ দিয়ক।

ল'ৰা-ছোৱালীবিলাকক স্বৰ্গত গজা জীৱন বৃক্ষৰ ছবিখন অতি সাধাৰণভাবে আঁকিব দিয়ক। উপাসনাৰ সময়ত ল'ৰা-ছোৱালীবিলাকক ছৱিবোৰ ডাঙৰক দেখুৱাবলৈ দিয়ক আৰু স্বৰ্গত আৰোগ্যতা ঈশ্বৰৰ পৰা তেওঁৰ জীৱন বৃক্ষৰ যোগেদি হয় বুলি বুজাই দিয়ক।



ঈশ্বৰৰ শেষ বিচাৰ আৰু স্বৰ্গৰ বিষয়ে ডাঙৰ ল’ৰা-ছোৱালীবোৰক কবিতা বা গান লিখিবলৈ দিয়ক।

ডাঙৰ ল’ৰা-ছোৱালীবিলাকক প্ৰকাশিত বাক্য ২১ঃ৩-৪ পদ মুখস্থ কৰিব দিয়ক আৰু সৰুবিলাকক ৪ পদটো শিকিব দিয়ক।

**প্ৰাৰ্থনা ঃ** মৰমিয়াল যীচু, পাঁচনি যোহনক স্বৰ্গৰ বিষয়ে দৰ্শন দিয়া বাবে ধন্যবাদ দিওঁ। আমি ভৱিষ্যতক ভয় কৰাৰ কোনো প্ৰয়োজন নাই। যীচুৱে পাপ আৰু চয়তানৰ ওপৰত জয়যুক্ত কৰিলে। স্বৰ্গখন ধুনীয়া হ’ব। আমি চিৰকাললৈকে আপোনাৰ মুখ আৰু দেখিবলৈ আৰু আপোনাৰ লগত থাকিবলৈ পাম।”

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net